ত্যাগ কৰি ভাৰতীয় জনতা পাৰ্টীত যোগদান কৰে। ২০০৫ চনৰ পৰা ২০১১ চনলৈ বিজেপিৰ এজন সাধাৰণ তৃণমূল পৰ্য্যায়ৰ কৰ্মী হিচাবে কাম কৰি আছিল। তাৰ পিছত তেখেতে ২০১১ চনত পোন প্ৰথম বাৰৰ বাবে বৰপেটা জিলাৰ সৰভোগ সমষ্টিৰ পৰা অসম বিধান সভালৈ নিৰ্বাচিত হৈ আহে। সৰভোগৰ ৰাইজৰ মৰমে তেখেতক সেই সমষ্টিটোৰ পৰা জয়ী কৰি অনাত সহায় কৰিছে। সেই ৰাইজৰ মৰম চেনেহ লৈ তেখেতে সৰভোগক মহকুমালৈ উন্নীত কৰাত সফল হৈছে। নামনি অসমৰ ৰাইজৰ অকৃত্ৰিম মৰম লৈ প্ৰয়াত মহেন্দ্ৰ মোহন চৌধুৰী অসম বিধান সভাৰ অধ্যক্ষ হৈছিল আৰু এতিয়া নামনি অসমৰ বৰপেটা জিলাৰ সকলোৰে বাবে গৌৰবৰ কথা যে এইবাৰ এজন অধ্যক্ষ হিচাপে পাইছে। আমি আশা ৰাখিছো সকলোবোৰ দলৰ সহযোগিতা, মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ সহযোগ বিশ্বাস সকলোবোৰ লৈ মাননীয় অধ্যক্ষ ডাঙৰীয়াই উমৈহতীয়া ভাৱে অসমৰ জলন্ত সমস্যা-বিদেশী সমস্যা, বানপানী সমস্যাকে ধৰি সকলোবোৰ সমস্যাৰ সমাধানৰ বাবে সকলো দলকে সুযোগ-সুবিধা দি সমাধানৰ পথ প্ৰশস্ত কৰিব। বিজেপিকে ধৰি বিৰোধী সহ ১২৬ জন বিধায়কৰ সহায়-সমৰ্থনৰ গুৰুত্ব দি সকলোকে লৈ কাম আগবঢ়াব বুলি আশা কৰিছো। শেষত মই মাননীয় অধ্যক্ষ আৰু সকলো বিধায়কলৈ কৃতজ্ঞতা আৰু অভিনন্দন জনাইছো। মই সকলো দলৰ বিধায়কক কৃতজ্ঞতা জনাইছো যে তেওঁলোকৰ সৰ্বসন্মতি ক্ৰমে আমাৰ মাননীয় অধ্যক্ষ ৰঞ্জিত দাস ডাঙৰীয়াক নিৰ্বাচিত কৰাৰ বাবে। শেষত মই সকলোলৈকে ধন্যবাদ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় ৰঞ্জিত দাস ডাঙৰীয়া আমাৰ চতুৰ্দশ বিধান সভাৰ অধ্যক্ষ নিৰ্বাচিত হোৱাৰ বাবে মই তেখেতলৈ আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰিছো। আমাৰ দলপতি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই আমাৰ চৰকাৰৰ বক্তব্য তেখেতৰ ভাষণত দাঙি ধৰিছে। মাননীয় অধ্যক্ষ হিচাবে আপোনাৰ গুৰু দায়িত্ব থাকিব। You are the custodian of the House. You are the protector of the constitution. যিখন ৰুল আছে সেই মতে বহুতখিনি কাৰ্য্য পৰিচালনা কৰিব লাগিব। আমাৰ দলপতি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে তেখেতৰ মনোভাৱ বক্তব্যৰ জৰিয়তে প্ৰকাশ কৰিছে। আমাৰ মাননীয় সদস্যসকলৰ প্ৰত্যেক জনৰে নিজ নিজ সমষ্টিৰ সমস্যা আছে। মই আশা ৰাখিছো সেই সকলোবিলাক সমস্যাৰ কথা বিধান সভাৰ মজিয়াত উপস্থাপন কৰাৰ সুবিধা বিৰোধী-শাসক সকলো দলৰে সদস্যই মাননীয় অধ্যক্ষৰ পৰা সহায়-সহযোগিতা পাব। As the custodian of the House. যাতে অসম ভাৰতবৰ্ষৰ পাঁচখন উন্নত ৰাজ্যৰ এখন হয়। তাৰ কাৰণে বিধান সভাত বলিষ্ঠ নেতৃত্বৰ সকলোৰে পাব বুলি মই আশা ৰাখিছো। গণতন্ত্ৰৰ

চতুৰ্থ স্তম্ভ হ'ল সংবাদ মাধ্যম আৰু আনকেইটা স্তম্ভ হ'ল লেজিছলেটিভ, জুডিচিয়াৰি আৰু কাৰ্য্যপালিকা। এই চাৰিটাৰ একেলগে কাম হ'লেহে সফলতা লাভ কৰিব পাৰি গণতান্ত্ৰিক ব্যৱস্থাত। মই আশা ৰাখিছো তেখেতৰ বলিষ্ঠ নেতৃত্বত বিধান সভাৰ কাৰ্য্যপৰিচালনা সফলতাৰে আগবাঢ়িব। তেখেত সৰ্বসন্মতিক্ৰমে নিৰ্বাচিত হৈছে। দলপতিৰ হৈ মই সকলো বিধান সভাৰ মাননীয় সদস্যকে ধন্যবাদ জনাইছো যে তেওঁলোকে সৰ্বসন্মতি ক্ৰমে সকলো দল মিলি নতুন অধ্যক্ষ হিচাবে মাননীয় ৰঞ্জিত দাস ডাঙৰীয়াক নিৰ্বাচিত কৰিছে। সকলো সমষ্টিৰে কিছুমান নিজা নিজা সমস্যা থাকে। এই সকলোবোৰ আপোনাৰ বলিষ্ঠ নেতৃত্বত সফল হ'ব বুলি মই আশা কৰিছো। আজি এই বিধান সভা এটা সফল অধ্যায় হিচাবে পৰিগণিত হব। অসম বিধান সভাৰ বুৰঞ্জীত এক সোণোৰালী অধ্যায় হিচাবে উজলি থাকিব। ইয়াকে কৈ মই আকৌ আন্তৰিক অভিন্দন জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**শ্ৰীঅতুল বৰা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই চতুৰ্দশ বিধান সভাৰ প্ৰথম অধিবেশনত অসম গণ পৰিষদ দলৰ সদস্য হিচাবে প্ৰথমবাৰৰ বাবে দুআষাৰ ক'বলৈ ওলাইছো। ভাৰতবৰ্ষ স্বাধীন হোৱা আজি ৬৫ বছৰ পাৰ হৈ গ'ল কিন্তু আমাৰ এই অসম ৰাজ্যখন সমস্যাৰে জৰজড়িত। এই সমস্যা জৰ্জৰ ৰাজ্যখনৰ সমস্যাসমূহ সমাধানৰ ক্ষেত্ৰত ঐক্যবদ্ধভাৱে আগবাঢ়িব লাগিব। অসমৰ ৰাইজে বহুতো আশা কৰিছে। গতিকে অধ্যক্ষৰ ওপৰতো বহুতো দায়িত্ব।Performance of the Speaker in strengthering of democratic system of Assam. আপোনাৰ ওপৰত আমাৰ অগাধ বিশ্বাস আছে, আপুনি এজন যোগ্য আৰু সৎ মানুহ, আমি গম পাওঁ। আপুনি সদৌ অসম ছাত্ৰ সন্থাৰ সদস্য হৈ থাকোতেও নিষ্ঠা আৰু সততা পালন কৰি কাম কৰিছিল। আমি গভীৰ আস্থা আৰু প্ৰত্যাশাৰে ৰৈ আছো। ইংৰাজীত এষাৰ কথা আছে — A leader is one who knows the way, goes the way and shows the way. আমি ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছো যাতে আপুনি বিধান সভাৰ অধ্যক্ষ হিচাবে সুচাৰুৰূপে কাম চলাই যাব পাৰে।

**শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, চতুৰ্দশ অসম বিধান সভাৰ অধ্যক্ষ হিচাবে পোন প্ৰথমবাৰৰ বাবে আপুনি নিৰ্বাচিত হোৱাত মই বি পি এফ দলৰ হৈ আপোনাক অভিনন্দন জনাইছো। আপোনাক অধ্যক্ষ হিচাবে পাই আমি বহুত সুখী। আপুনি বহুতো গুণৰ অধিকাৰী এজন লোক আৰু সেই লোকজনে এখন সৌহাদ্যপূৰ্ণ আসন গ্ৰহণ কৰিব পোৱাৰ বাবে আমি আপোনাক ধন্যবাদ দিছো। আমি প্ৰত্যেকে একোগৰাকী বিধায়ক হিচাবে সমাজৰ সুখ-দুখৰ কথা ভাৱো। গতিকে সমাজৰ

সকলো কথা যাতে বিধায়ক হিচাবে ৰুলিং পাৰ্টিয়েই হওঁক বা বিৰোধী সদস্যসকলেই হওঁক, সকলোৰে যাতে তেওঁলোকৰ অঞ্চলসমূহৰ সমস্যা সমূহ উত্থাপন কৰিবৰ বাবে সুযোগ দিয়ে। পাঁচ বছৰ যথেষ্ট সময়, আমি গৌৰৱেৰে অপেক্ষা কৰিম। মাননীয় পিতৃ-মাতৃ ধন্যবাদৰ পাত্ৰ যিয়ে এনেকুৱা এজন সুসন্তান জন্ম দিছে। নামনি অসমৰ এজন লোক আমি অধ্যক্ষ হিচাবে পাই নথৈ আনন্দিত হৈছো। ইয়াকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

**শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ঃ** মাননীয় অধ্যক্ষল মহোদয়, চতুৰ্দশ বিধান সভাৰ প্ৰথম অধিবেশনত আপোনাক অধ্যক্ষ হিচাবে পাই আমি আনন্দিত হৈছো আৰু আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। গণতন্ত্ৰৰ চাৰিটা স্তম্ভ লেজিচলেটিভ, জুডিচিয়েৰী, সংবাদ মাধ্যম আৰু ন্যায়পালিকা। আজি আমাৰ সদস্যসকলে বিধান সভাত বিভিন্ন ভাষাত শপত গ্ৰহণ কৰিছে। অসমত বিভিন্ন ভাষা-ভাষী লোক আছে Dr. A.P.J. Abdul Kalam said.... dream,dream,dream. Dreams transform into thoughts and thoughts result in action. ইয়াৰ সকলো সদস্যই এটা সপোন লৈ আহিছে। সেই সপোনবিলাক বাস্তৱত পৰিণত কৰিবৰ কাৰণে এই বিধান সভাই হৈছে একমাত্ৰ মঞ্চ যি আপোনাৰ ন্যায়, আমাৰ অসম গণ পৰিষদ দলৰ সভাপতি অতুল বৰা ডাঙৰীয়াই কোৱাৰ দৰে আমি সকলোৰে আশা কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, চতুৰ্দশ অসম বিধান সভা সফল ভাৱে চলাই নি সকলো সদস্যৰে যাতে সপোন বাস্তৱত পৰিণত কৰিব পাৰে তাৰে কামনাৰে মই মোৰ বক্তব্য সামৰণি মাৰিলো।

**শ্ৰীবৃন্দাবন গোস্বামীঃ**- মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাক অভিনন্দন জনাইছো। অসমৰ গণতান্ত্ৰিক সংসদীয় বিধান সভাৰ ইতিহাসৰ নতুন দিন আৰম্ভ হৈছে। সৰ্বসন্মত ভাৱে আজি আমাৰ বিধান সভাখন আৰম্ভ হৈছে। ১২৬ টা সমষ্টিৰ অগনণ ৰাইজে বহু আশাৰে আমাক ইয়ালৈ পঠাইছে। বিধান সভাৰ বিধি মতে আপোনাৰ নেতৃত্বত এই আশা বিলাক আলোচনা কৰি যিবিলাক বিৰোধী পক্ষ আছে বা চৰকাৰী পক্ষ আছে, সকলোৰে যাতে এই আশা পূৰণ কৰিব পাৰি আলোচনাৰ যোগেদি আগবঢ়াই নিব পাৰে। আমি আশা কৰো যে আলোচনাৰ মাজেৰে যাতে আমাৰ ৰাজ্যখন আগবঢ়াই নি।

**শ্ৰী দেৱব্ৰত শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰথমে মই আপোনাক আমাৰ সকলোৰে হৈ ধন্যবাদ জনাইছো। আপুনি যোৱাবাৰো অসম বিধান সভালৈ নিৰ্বাচিত হৈ আহিছিল আৰু আমি একেলগে কাম কৰিছিলো। আপুনি বহুত অভিজ্ঞ ব্যক্তি। আপোনাৰ শিক্ষক হিচাবে, চৰকাৰী চাকৰিয়াল হিচাবে আৰু জাৰ্নেলিষ্ট হিচাবেও আপোনাৰ অভিজ্ঞতা

আছে। আপুনি আমাৰ সকলোৰে ন্যায় কৰিব লাগিব। আপুনি বিৰোধী পক্ষকো সুযোগ দিব লাগিব। বিৰোধী শক্তিশালী হ'লেহে চৰকাৰ ভালদৰে চলিব পাৰে। উন্নয়নৰ যি ধাৰাবাহিক প্ৰক্ৰিয়া আধৰুৱা হৈ আছে, সেইখিনি আপোনাৰ দিনত হ'ব বা আগবঢ়াই নিব পাৰিম বুলি আশা ৰাখিছো। শেষত ধন্যবাদ জনাই মোৰ ভাষণ সামৰণি মাৰিছো।

**শ্ৰী তৰুণ গগৈ ঃ** মাননীয় অধ্যক্ষ মহোদয়, পোন প্ৰথমে মই আপোনাক অভিনন্দন জনাইছো। আপোনাক যোৱা পাঁচটা বছৰে পাইছো। আপোনাৰ ৰাইজৰ প্ৰতি থকা আস্থাৰ কাৰণে মই আপোনাক ধন্যবাদ জনাইছো। বিভিন্ন দিশত আপুনি বহুত অভিজ্ঞ। ছাত্ৰ জীৱনৰ পৰাই হওঁক, শিক্ষকতাই হওঁক, চৰকাৰী চাকৰীয়েই হওঁক, সমাজ সেৱাই হওঁক, ৰাজনীতিক হিচাবে যিখিনি অভিজ্ঞ সেইটো আমি গম পাইছো। সেইকাৰণে আপোনাৰ ওপৰত আমাৰ সম্পূৰ্ণ আস্থা আছে। আপোনাৰ ওপৰত আস্থা আছে কাৰণে ১২৬ জন সদস্যই বিনা প্ৰতিদ্বন্দ্বিতাৰে আজি আপোনাক নিৰ্বাচিত কৰিছে। যিহেতু বিধানসভাখন অকল আমাৰ বিধায়কসকলৰ নহয়, সমগ্ৰ অসমৰ ৰাইজৰ প্ৰাণকেন্দ্ৰ। অসমখন বহু আগুৱাই আহিছে কিন্তু এতিয়াও বহু সমস্যা আছে। অসমখন বহুতো জটিল সমস্যাৰে জৰ্জৰিত দেশ। সেই সমস্যাবিলাক সৰ্বসন্মত ভাৱে সমাধান কৰিব পাৰিব বুলি আশা ৰাখিছো। আপোনাৰ পৰা নিৰপেক্ষ বিচাৰ পাম বুলি আমাৰ সম্পূৰ্ণ আস্থা আছে। মই আপোনাক পুনৰবাৰ সকলোৰে হৈ অভিনন্দন জনাইছো।

**শ্ৰী প্ৰণৱ কুমাৰ গগৈ ঃ** নৱ নিৰ্বাচিত মাননীয় অধ্যক্ষ মহোদয়, আজি পবিত্ৰ ক্ষণত আপোনাক বিধান সভাই অধ্যক্ষ নিৰ্বাচিত কৰিছে। বিধানসভাই নিৰপেক্ষ দৃষ্টিভঙ্গী বিচাৰে। আপোনাৰ দায়িত্বৰ পালন কৰিলে বিধানসভাৰ কাৰ্য্য পৰিক্ৰমা অটুত থাকিব। মই আশা কৰো আপোনাৰ নেতৃত্বত ক্ৰমাগত ভাৱে আপোনাৰ নিৰপেক্ষ দৃষ্টিভঙ্গীয়ে সকলোকে সমমৰ্যদা দিব। মই আপোনাক পৰামৰ্শ দিও যাতে বিধান সভাৰ নিয়ম অনুযায়ী সকলো কাৰ্য্যক্ৰমণিকা নিৰপেক্ষ দৃষ্টিভঙ্গীৰে আগবঢ়াই নিয়ে। শেষত আপোনাৰ ভৱিষ্যত উন্নতি কৰি মোৰ ভাষণৰ সামৰণি মাৰিলো।

**শ্ৰীমতী অজন্তা নেওগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰয়াত বসন্ত দাস, দেবেশ্বৰ শৰ্মা, হৰেশ্বৰ গোস্বামী, মহেন্দ্ৰ মোহন চৌধুৰী, দেবকান্ত বৰুৱাৰ দৰে প্ৰয়াতই এই পবিত্ৰ বিধান সভাত অধ্যক্ষৰ আসন অলংকৃত কৰিছিল আৰু আজিৰ এই পবিত্ৰ সদনত আপোনাক বিনা প্ৰতিদ্বন্দ্বিতাৰে অসম বিধান সভাৰ অতি মৰ্যাদাপূৰ্ণ পদ, অসম বিধান সভাৰ অধ্যক্ষৰ পদ অলংকৃত কৰা হৈছে। মাননীয় অধ্যক্ষ মহোদয়, যোৱা বিধানসভাত আপোনাক মাননীয় বিধায়ক হিচাবে মই পাইছিলো আৰু একেলগে কাম কৰাৰ সুবিধা

পাইছিলো। আপোনাৰ যি দক্ষতা, মাৰ্জিত ব্যৱহাৰ, তাক কোনো কাৰণতে পাহৰিব নোৱাৰো। মাননীয় অধ্যক্ষ মহাশয়, আপুনি কেইবাটাও গুণৰ অধিকাৰী সেই কথা মই জানো আৰু অসমৰ জনসাধাৰণেও ইমূৰৰ পৰা সিমূৰলৈ আপোনাক জানে। অসম বিধান সভাৰ অভিভাৱকৰ যি দায়িত্ব তাক আপুনি নিশ্চয় নিষ্ঠা আৰু সততাৰে পালন কৰি যাব। তাৰ কাৰণে মই আপোনাক ধন্যবাদ জনাইছো আৰু আমাৰ দলৰ তৰফৰ পৰা আপোনাক অভিনন্দন জনাইছো। মাননীয় অধ্যক্ষ মহাশয়, আপোনাৰ ওপৰত যি গধুৰ দায়িত্ব অৰ্পণ কৰা হৈছে, তাক নিশ্চয় আপুনি ধৈৰ্য্য আৰু সৰলতাৰে পালন কৰি যাব বুলি মোৰ দৃঢ় বিশ্বাস। মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা কবলৈ ওলাইছো যে, এইবাৰ বিধান সভাত মহিলা সদস্য মাত্ৰ ৮ জনহে। মাননীয় অধ্যক্ষ মহাশয়, আমাৰ মহিলাসকলৰ বহুতো সমস্যা আছে, সমষ্টিৰ সমস্যা আছে, তাক যেন এই পবিত্ৰ সদনত কোৱাৰ কাৰণে আপোনাৰ জৰিয়তে সুবিধা গ্ৰহণ কৰিব পাৰো, তাৰ কাৰণে মই আপোনাক অনুৰোধ জনাইছো। ইয়াকে কৈ পুনৰবাৰ আপোনাক ধন্যবাদ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

**শ্ৰী আব্দুল খালেক ঃ** মাননীয় অধ্যক্ষ মহাশয়, মোৰ একে জিলাৰে এই অসম বিধান সভাৰ সদস্য হিচাবে আপুনি বিনা প্ৰতিদ্বন্দ্বিতাৰে অসম বিধান সভাৰ মাননীয় অধ্যক্ষ হিচাবে নিৰ্বাচিত হোৱাৰ বাবে আপোনাক ধন্যবাদ আৰু ওলগ জনাইছো। আপোনাক মই বহু বছৰৰ পৰাই পাই আহিছো। আপোনাৰ যি চিন্তাধাৰা, যি বিচক্ষণতা তাৰ কাৰণে সৰভোগ সমষ্টিৰ ৰাইজে এইবাৰৰে সৈতে দুবাৰকৈ আপোনাক অসম বিধান সভালৈ পঠিয়াইছে। আপুনি একেৰাহে শিক্ষকতা, সাংবাদিকতা কৰি আহিছে আৰু মই নিজেও সেই লাইনৰে এজন গতিকে গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ হিচাবে সকলোকে সমদৃষ্টিৰে চাব বুলি মোৰ দৃঢ় বিশ্বাস। সদৌ শেষত আপোনালৈ মোৰ আন্তৰিক ধন্যবাদ যাচি মোৰ ক'বলগীয়াখিনি ইমানতে সামৰণি মাৰিছো।

**শ্ৰী হাফিজ বছিৰ আহমেদ ঃ** মাননীয় অধ্যক্ষ মহাশয়, মই যোৱা ৫ বছৰে আপোনাক অসম বিধান সভাত পাইছিলো আৰু পুনৰবাৰ আজি অসম বিধান সভাত পাইছো। তাতে আকৌ বিনা প্ৰতিদ্বন্দ্বিতাৰে অসম বিধান সভাৰ অধ্যক্ষৰ দৰে এটা মৰ্যাদাপূৰ্ণ পদ অলংকৃত কৰিলে। তাৰবাবে আপোনাক আমাৰ দলৰ তৰফৰ পৰা ধন্যবাদ জনাইছো। আপোনাৰ লগত বিভিন্ন কমিটিৰ সদস্য হিচাবে অসমৰ বিভিন্ন ঠাই ঘুৰি ফুৰি বিভিন্ন দক্ষতা পাইছিলো আৰু আজি হয়তো তাৰেই প্ৰতিফলন ঘটিছে যে অসম বিধান সভাৰ অধ্যক্ষ পদ অলংকৃত কৰা হৈছে। মাননীয় অধ্যক্ষ মহাশয়, আজিৰে পৰা আপুনি আমাৰ এই পবিত্ৰ সদনৰ অভিভাৱক হিচাবে দায়িত্বভাৰ লোৱাৰ বাবে আপোনাক ধন্যবাদ

জনাইছো আৰু আশা কৰিছো সদনৰ মান মৰ্যাদা অক্ষুন্ন ৰাখি সদন পৰিচালনা কৰি যাব। মাননীয় অধ্যক্ষ মহাশয়, মই দীঘলীয়া কৰিব খোজা নাই, পুনৰবাৰ আপোনাক শ্ৰদ্ধা আৰু আন্তৰিক ওলগ জনাই ধন্যবাদ জ্ঞাপন কৰিলো।

**শ্ৰীকমল সিং নাৰ্জাৰী ঃ** মাননীয় অধ্যক্ষ মহাশয়, মোৰ সমষ্টি আৰু আপোনাৰ সমষ্টি একেবাৰে সীমাৰ ভিতৰত, বিজনী আৰু সৰভোগ। আমি একেবাৰে ওচৰৰ। মাননীয় অধ্যক্ষ মহাশয়ক সদনৰ সদস্য হিচাবে মই যোৱা ৫ বছৰে পালো, আজি আকৌ বিনা প্ৰতিদ্বন্দ্বিতাৰে অসম বিধান সভাৰ অধ্যক্ষ হোৱাৰ বাবে তেখেতক মোৰ আন্তৰিক অভিন্দন আৰু ওলগ যাঁচিলো। মাননীয় অধ্যক্ষ মহাশয়, আপোনাৰ এটা সুনাম আছে যে আপুনি অতি সৰল মনৰ মানুহ আৰু অতি মাৰ্জিত। তাৰবাবে সৰভোগ সমষ্টিৰ ৰাইজে আপোনাক পুনৰ জনসাধাৰণৰ প্ৰতিনিধি হিচাবে নিৰ্বাচিত কৰিছে। মাননীয় অধ্যক্ষ মহাশয়, অসম বিধান সভাৰ অধ্যক্ষৰ যি মৰ্যাদা সেই মৰ্যাদা অক্ষুন্ন ৰখাত আপুনি নিশ্চয় সেই সফলতা অক্ষুন্ন ৰাখিব পাৰিব বুলি মোৰ দৃঢ় বিশ্বাস।

**শ্ৰীকমলী বসুমতাৰী ঃ** মাননীয় অধ্যক্ষ মহাশয়, আপোনাক মই অসম বিধান সভাৰ অধ্যক্ষ হিচাবে বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হোৱাৰ বাবে মোৰ ফালৰ পৰা আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। মাননীয় অধ্যক্ষ মহাশয়, প্ৰাক্তন গড়কাপ্তানী মন্ত্ৰী মহাশয়ে এটা কথা কৈছে যে, এইবাৰ বিধান সভাত আমাৰ মহিলা বিধায়িকা মাত্ৰ ৮ গৰাকী। মাননীয় অধ্যক্ষ মহাশয়, আমাৰ মহিলাসকলৰ সমস্যাসমূহ আৰু জনসাধাৰণৰ প্ৰতিনিধি হিচাবে আমাৰ সমষ্টিৰ যি সমস্যা আছে, সেই সমস্যাসমূহ এই পবিত্ৰ বিধান সভাত কোৱাৰ বাবে আপুনি যেন আমাক সময় দিয়ে। আমাৰ সমষ্টিৰ বহুতো সমস্যাই আছে, তাৰ সমাধানৰ বাবে আমি বিভিন্ন সময়ত বিভিন্ন প্ৰশ্ন এই বিধান সভাতেই কৰিম আৰু তাৰ কাৰণে আমাক নিৰপেক্ষ ভাৱে চালে আমি সুখী হ'ম। ইয়াকে কৈ মোৰ বক্তব্য সামৰণি মাৰিলো, ধন্যবাদ।

**শ্ৰী আমিনুল ইছলাম ঃ** মাননীয় অধ্যক্ষ মহাশয়, আজিৰ এই পবিত্ৰ সদনত বিনা প্ৰতিদ্বন্দ্বিতাৰে অসম বিধান সভাৰ অধ্যক্ষ নিৰ্বাচিত হোৱাৰ বাবে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো আৰু আশা কৰিছো সদনৰ মান-মৰ্যাদা অক্ষুন্ন ৰাখি সদনৰ কাম-কাজ চলাই লৈ যাব। এই পবিত্ৰ সদনৰ আপুনি আমাৰ অভিভাৱক হিচাবে কাম কৰি যাব বুলি আমি বিশ্বাস কৰো।

**শ্ৰীৰূপজ্যোতি কুৰ্মী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি এই পবিত্ৰ বিধান সভাৰ অধ্যক্ষ হিচাবে শ্ৰীৰঞ্জিত দাস ডাঙৰীয়াক শুভেচ্ছা জ্ঞাপন কৰিছো। লগতে নৱ নিৰ্বাচিত মুখ্যমন্ত্ৰী শ্ৰীসৰ্বানন্দ সোণোৱাল ডাঙৰীয়াক শুভেচ্ছা জ্ঞাপন কৰিছো। আপোনাৰ বিষয়ে মন্ত্ৰী

শ্ৰীযুত হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই বহুত কৈছে। যোৱাবাৰ মই আপোনাক বিধায়ক হিচাবে পাইছিলো। আপুনি এটা সময়ত ৰিপ'ৰ্টাৰ আছিল, শিক্ষকতা কৰিছিল। ইমান ভাল চাকৰি পাইও চাকৰি এৰি দিলে। ছাত্ৰ আন্দোলনৰ লগত জড়িত আছিল। অসমীয়া জাতিৰ সমাজৰ প্ৰতি থকা এজন দায়িত্বশীল ব্যক্তি। আপোনাৰ পৰা সহায়ৰ আশা কৰিছো। প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়াই আপোনাক ভাল পাইছিল। আপুনি বৰ অমায়িক। আপোনাৰ প্ৰতি শ্ৰদ্ধা থাকিব। আমি বিৰোধী দলত বহিছো যদিও আপুনি আমাৰ সকলোকে সমান চকুৰে চাব। যিহেতু বিৰোধী দলত আমি মাত মাতিবই লাগিব। মই আজি মুখ্যমন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰো যাতে, ডিব্ৰুগড় আৰু গুৱাহাটী মেডিকেল কলেজলৈ পেচেণ্ট লৈ গ'লে ৰাইজৰ সুবিধা হোৱাকৈ যাতে ৰাস্তা ভাল কৰি দিয়ে। যিহেতু মাননীয় নৰেন্দ্ৰ মোডী ডাঙৰীয়াই এক হাজাৰ কোটি টকা ৰাস্তা মেৰামতিৰ বাবে দিছে। ইয়াকে কৈ মই পুনৰবাৰ বিৰোধী দলৰ পৰা শুভেচ্ছা জ্ঞাপন কৰি মই মোৰ বক্তব্য সামৰণি মাৰিলো।

**শ্ৰী ৰবিৰাম নাৰ্জাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, পোন প্ৰথমে মই আমাৰ অসম চৰকাৰৰ বি পি এফ দলৰ পৰা দাস ডাঙৰীয়াক শুভেচ্ছা আৰু ধন্যবাদ জ্ঞাপন কৰিছো। চতুৰ্দশ অসম বিধান সভাৰ অধ্যক্ষ হিচাবে আপোনাক পাই আমি সঁচাকৈ আনন্দ প্ৰকাশ কৰিছো। আজি আমি আনন্দিত হৈছো কিয়নো শ্ৰীসৰ্বানন্দ সোণোৱাল ডাঙৰীয়া সৰ্বসন্মতিক্ৰমে মুখ্যমন্ত্ৰী হিচাবে নিৰ্বাচিত হৈছে। we are feel very much proud that you have been selected Speaker for the 14th Assam Legislative Assembly. আজি আমি গৌৰৱবোধ কৰিছো এই বিধান সভাত দাস ডাঙৰীয়াক অধ্যক্ষ হিচাবে পাই। তেখেতে নামনি অসমৰ বিধায়ক হৈ ইয়ালৈ আহিছে। তেখেতে নিজৰ নিজৰ সমষ্টিৰ বক্তব্য ৰাখিবৰ কাৰণে সকলোকে সুবিধা দিব, লাগিলে সেয়া বিৰোধী দলৰে হওঁক। সকলোকে নিশ্চয় সম মৰ্য্যাদা প্ৰদান কৰিব। ২০১১ চনৰ পৰা এতিয়ালৈ সৰভোগ সমষ্টিৰ পৰা নিৰ্বাচিত হৈ আহিছে। তেখেত ছাত্ৰ সন্থাৰ সভাপতি আছিল। তাৰ পিছত তেখেতে ৰাজনীতিক হিচাবে বিজেপিত ভৰি দিলে। তেখেত বৰ সৰল ব্যক্তি বুলি আমি জানো। তেখেতে জনতাৰ প্ৰতিনিধি হিচাবে কাকো অন্যায় নকৰে। মই বি পি এফ দলৰ পৰা তেখেতক পুনৰবাৰ শুভেচ্ছা আৰু ধন্যবাদ জ্ঞাপন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

**শ্ৰীভূৱন পেগু ঃ** মাননীয় অধ্যক্ষ মহোদয়, ২০০৬ চনৰ পৰা ২০১১ চনলৈ বিধান সভাত সদস্য হিচাবে আছিলো। ঈশ্বৰৰ কৃপাত দ্বিতীয়বাৰৰ বাবে নিৰ্বাচিত হৈছো। এই বিধান সভাৰ মজিয়াত মই কৈছো যে সকলোতকৈ কঠিন কাম হৈছে কাম কৰিব পৰাটো।

মই আজি দাস ডাঙৰীয়াক ধন্যবাদ জনাবলৈ পাই সুখী হৈছো। তেখেতক ছাত্ৰ আন্দোলন, শিক্ষকতাৰ পৰা আৰম্ভ কৰি এজন দায়িত্বশীল ব্যক্তি হিচাবে পাই মই অত্যন্ত সুখী হৈছো। তেখেতক সকলো ক্ষেত্ৰতে আগবাঢ়ি যোৱাৰ আশা ৰাখি পুনৰবাৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**শ্ৰীওৱাজেদ আলী চৌধুৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাক আমি এই পবিত্ৰ সদনত নৱ নিৰ্বাচিত অধ্যক্ষ হিচাবে পাই আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো। যোৱা প্ৰায় দুটা বছৰে আপোনাক আমি ভালদৰে পাইছো। আপোনাৰ লাইফ হিষ্টৰি পাইছো। আমি যি দলৰে নহও কিয় আপোনাক পাই আমি সঁচাকৈ ভাল পাইছো। মই দক্ষিণ শালমাৰাৰ পৰা আহিছো। আমি যি দলৰে নহও, যি জাতি-জনগোষ্ঠীৰে নহও সকলোৱে একগোট হৈ কাম কৰিব লাগিব। অহা পাঁচ বছৰৰ বাবে আমি সকলোৱে একগোট হৈ থাকিব লাগিব। আপোনাৰ প্ৰতি মোৰ বিশ্বাস আছে। সদৌশেষত মই আপোনাক আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো।

**শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, চতুৰ্দশ অসম বিধান সভাৰ অধ্যক্ষ হিচাবে আপুনি বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হোৱা বাবে মই অসম গণ পৰিষদ দলৰ হৈ আপোনাক আন্তৰিক ওলগ আৰু শুভেচ্ছা জ্ঞাপন কৰিছো। আমি জানো আপুনি বহুত গুণৰ অধিকাৰী। আপুনি এই পবিত্ৰ সদনৰ অধ্যক্ষ, আপুনি আমাৰ অভিভাৱক। আমাৰ সকলোৰে আপোনাৰ প্ৰতি বিশ্বাস আছে যে আপুনি অতি নিষ্ঠা আৰু আন্তৰিকতাৰে বিধান সভা পৰিচালনা কৰিব। অসমৰ জাতি-জনগোষ্ঠীক জৰুলা কৰা যিবোৰ জলন্ত সমস্যা আছে সেই সকলোবোৰ বিধান সভাৰ মজিয়াত উত্থাপন কৰি আমাৰ নৱ নিৰ্বাচিত চৰকাৰখনক সমস্যাসমূহ সমাধান কৰিবলৈ আমি সকলোৱে সহায়-সহযোগিতা আগবঢ়াব লাগিব। সদৌ শেষত এইক্ষেত্ৰত সকলোৰে সহায়-সহযোগিতা কামনা কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এই সদনত উপস্থিত থকা বিভিন্ন বিভাগৰ মাননীয় মন্ত্ৰী মহোদয়সকল, বিভিন্ন দলৰ মাননীয় বিধায়কসকল, বিৰোধী দলৰ দলপতিসকল, দলৰ লগতে বাকী বিভিন্ন বিৰোধী দলৰ সদস্যসকলে বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত কৰাৰ কাৰণে মই নথৈ আনন্দিত। মই এইক্ষেত্ৰত সকলোকে মোৰ ফালৰ পৰা কৃতজ্ঞতা জনাইছো। ১৯৯২ চনত এই বিধান সভাৰ গেলাৰীত বহি প্ৰচিডিঙচ বনাইছিলো। তেতিয়া ভৱা নাছিলো যে ইয়াত এদিন প্ৰতিস্থিত হ'ম। ভাৰতীয় জনতা পাৰ্টিৰ সহযোগিতাত-আশীৰ্বাদত বিধান সভালৈ নিৰ্বাচিত হৈ আহিছো। অসমৰ বিভিন্ন ভাষা-ভাষী, ধৰ্মৰ লোক আমি ইয়াত একত্ৰিত হৈছো। এইক্ষেত্ৰত মাননীয় মন্ত্ৰী শ্ৰী হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াদেৰৰ

লগত আলোচনা হৈছিল। বিভিন্ন উন্নয়নৰ কথা আলোচনা কৰা হৈছিল। বৰ অসমৰ কথা চিন্তা কৰিছিল। আগন্তুক দিনত অসমখন আগবঢ়াই নিবলৈ শাসক-বিৰোধী সকলোৰে একগোট হৈ কাম কৰিব লাগিব। এই বিধান সভাত বৰ্তমানৰ সকলো বিধায়ক-বিধায়িকাই তেখেতসকলৰ নিজ-নিজ অঞ্চলৰ তথা অসমৰ নানা সমস্যাৰ কথা অৱগত কৰিবলৈ সুবিধা পাব। মোক বিনা প্ৰতিদ্বন্দ্বিতাৰে অধ্যক্ষৰ পদত নিৰ্বাচিত কৰা বাবে মাননীয় মুখ্যমন্ত্ৰী মহোদয়, অসম গণ পৰিষদৰ মাননীয় সভাপতি শ্ৰী অতুল বৰা ডাঙৰীয়া, মাননীয় বিধায়ক শ্ৰীফণীভূষণ চৌধুৰী দেৱক অশেষ ধন্যবাদ জ্ঞাপন কৰিছো, লগতে কংগ্ৰেছ বিধায়িনী দলৰ নেতা শ্ৰী দেৱব্ৰত শইকীয়া দেৱকো ধন্যবাদ জনাইছো। ইয়াৰ উপৰিও এ আই ইউ ডি এফ দলৰ মাননীয় দলপতি দেৱকো এই চেগতে ধন্যবাদ জ্ঞাপন কৰিছো।

## MOTION FOR ELECTION OF MEMBERS TO THE VARIOUS LEGISLATURE COMMITTEES

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই পৰৱৰ্তী কাৰ্য্যসূচী চলাই নিবলৈ আগবাঢ়িছো ঃ-
কাৰ্য্যসূচী নং ঃ— ৫, এতিয়া মাননীয় সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী দেৱে প্ৰস্তাৱ কৰিব যে- "এই সদনে অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ২৪২ নম্বৰ নিয়ম অনুসৰি ৰাজহুৱা হিচাপ সমূহৰ সমিতি' গঠন কৰিবলৈ বিধান সভাৰ তেৰজন সদস্য নিৰ্বাচন কৰে, যি সমিতিয়ে গঠন হোৱা তাৰিখৰ পৰা ত্ৰিশ মাহ কাৰ্য্যকালৰ বাবে কাৰ্য্যনিৰ্বাহ কৰিব"।
**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** I beg to move that- "This Assembly do now elect thirteen Members of the Assembly in accordance with the Provision of the Rule 242 of the Rules of Procedure and conduct of Business in Assam Legislative Assembly to Constitute the " Committee on Public Accounts" which will function from the date of its constitution for a term not exceeding thirty months".
**মাননীয় অধ্যক্ষ ঃ** কাৰ্য্যসূচী নং -৬, মাননীয় সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে প্ৰস্তাৱ কৰিব যে— "এই সদনে অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ২৪৪ নম্বৰ নিয়ম অনুসৰি প্ৰাক্‌কলন সমিতি গঠন কৰিবলৈ বিধান সভাৰ

তেৰজন সদস্য নিৰ্বাচন কৰে, যি সমিতিয়ে গঠন হোৱা তাৰিখৰ পৰা অনাধিক ত্ৰিশমাহ কাৰ্য্যকালৰ বাবে কাৰ্য্যনিৰ্বাহ কৰিব”।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** I beg to move that- " This Assembly do now elect thirteen Members of the Assembly in accordance with the Provision of the Rule 244 of the Rules of Procedure and conduct of the Business in Assam Legislative Assembly to Constitute the " Committee on Estimates" which will function from the date of its constitution for a term not exceeding thirty months".

**माननीय অধ্যক্ষ ঃ** কাৰ্য্যসূচী নং -৭, এতিয়া মাননীয় সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে প্ৰস্তাৱ কৰিব যে — ‘এই সদনে অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলীৰ ২৬০ খ নম্বৰ নিয়ম অনুসৰি ‘ৰাজহুৱা উদ্যোগ সমূহৰ সমিতি’ গঠন কৰিবলৈ বিধান সভাৰ তেৰজন সদস্য নিৰ্বাচন কৰে, যি সমিতিয়ে গঠন হোৱা তাৰিখৰ পৰা অনাধিক ত্ৰিশমাহ কাৰ্য্যকালৰ বাবে কাৰ্য্যনিৰ্বাহ কৰিব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** Hon'blr Speaker Sir, I beg to move that- " This Assembly do now elect thirteen Members of the Assembly in accordance with the Provision of the Rule 260 B of the Rules of Procedure and conduct of the Business in Assam Legislative Assembly to Constitute the " Committee on Public Undertaking" which will function from the date of its constitution for a term not exceeding thirty months.

**মাননীয় অধ্যক্ষ ঃ** কাৰ্য্যসূচী নং -৮, এতিয়া সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে প্ৰস্তাৱ কৰিব যে— ‘এই সদনে অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ২৬০ ঘ নিয়ম অনুসৰি ‘অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিসমূহৰ কল্যাণ সমিতি’ গঠন কৰিবলৈ বিধান সভাৰ তেৰজন সদস্য নিৰ্বাচন কৰে, যি সমিতিয়ে গঠন হোৱা তাৰিখৰ পৰা অনাধিক ত্ৰিশমাহ কাৰ্য্যকালৰ বাবে কাৰ্য্যনিৰ্বাহ কৰিব’।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** Sir, I beg to move that- " This Assembly do now elect thirteen Members of the Assembly in accordance with the Provision of the Rule 260D of the Rules of Procedure and conduct of the Business in Assam Legislative As-

sembly to Constitute the " Committee on the Welfare of Scheduled Castes and Scheduled Tribes" which will function from the date of its constitution for a term not exceeding thirty months".

**মাননীয় অধ্যক্ষ ঃ** কাৰ্য্যসূচী নং -৯, এতিয়া মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰীয়ে প্ৰস্তাৱ কৰিব যে — " এই সদনে অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলী ২৬০ ছ নং নিয়ম অনুসৰি "অন্যান্য পিছপৰা শ্ৰেণী আৰু অধিক অন্যান্য পিছপৰা শ্ৰেণী সমূহৰ কল্যাণ সমিতি" গঠন কৰিবলৈ বিধান সভাৰ তেৰজন সদস্য নিৰ্বাচন কৰে, যি সমিতিয়ে গঠন হোৱা তাৰিখৰ পৰা অনাধিক ত্ৰিশমাহ কাৰ্য্যকালৰ বাবে কাৰ্য্যনিৰ্বাহ কৰিব"।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** Hon'ble Speaker Sir, I beg to move that- " This Assembly do now elect thirteen Members of the Assembly in accordance with the Provision of the Rule 260G of the Rules of Procedure and conduct of the Business in Assam Legislative Assembly to Constitute the " Committee on the Welfare of other Backward Classes and More other Backward Classes" which will function from the date of its constitution for a term not exceeding thirty months".

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কাৰ্য্যসূচী নং -১০, উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰীদেৱে অসম ইজি অফ ডুয়িং বিজনেছ অৰ্ডিনেঞ্চ (নং-১)২০১৬ খন সদনত দাখিল কৰিব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** Hon'ble Speaker Sir, I beg to lay the Assam Ease of Doing Business Ordinance (No.1)2016.

## LAYING OF STATEMENT

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কাৰ্য্যসূচী নং -১১, মাননীয় উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰীয়ে অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ নিয়ম ৬৯ (১)ৰ অধীনত যি পৰিস্থিতিৰ হেতু অধ্যাদেশৰ জৰিয়তে তৎকালীন ভাৱে বিধায়নৰ প্ৰয়োজন হৈছে সেই বিষয়ে ব্যাখ্যা কৰি প্ৰবিৱৰণি দাখিল কৰিব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** Hon'ble Speaker Sir, I beg to lay the statement under rule 69 (1) of the Rules of Procedure and conduct of Business in Assam Legislative Assembly Explaining the circumtances which had necessitated immediate Legislative by ordinance.

## INTRODUCTION OF GOVERNMENT BILL

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় শ্ৰীচন্দ্ৰমোহন পাটোৱাৰীয়ে 'অসম ইজি অৰ ডুয়িং বিজনেচ বিল, ২০১৬' খন সদনত উপস্থাপন কৰিবলৈ অনুমতি বিচাৰিব।

(যদি অনুমতি দিয়ে বিধেয়কখন উপস্থাপন কৰিব)

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ** মই 'অসম ইজি অৰ ডুয়িং বিজনেচ বিল, ২০১৬' খন সদনৰ মজিয়াত উপস্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** মই অসম বিধান সভাৰ প্ৰধান সচিবক বিলখন পঢ়ি দিবলৈ অনুৰোধ কৰিলো।

**প্ৰধান সচিব, অসম বিধান সভা ঃ** 'অসম ইজি অৰ ডুয়িং বিজনেচ বিল, ২০১৬।

**মাননীয় অধ্যক্ষ ঃ** কাৰ্য্যসূচী নং — ১৩, এতিয়া মাননীয় ড° হিমন্ত বিশ্ব শৰ্মাই (বিত্ত,

ইত্যাদি বিভাগৰ মন্ত্ৰী) 'অসম এমিজমেণ্ট এণ্ড বেটিং এণ্ড টেক্স (এমেণ্ডমেণ্ট) অৰ্ডিনেঞ্চ (এন-II) ২০১৬' খন দাখিল কৰিব।

**ড° হিমন্ত বিশ্ব শৰ্মা (মন্ত্ৰী) ঃ** Sir, I beg to lay the Assam Amusement and Betting Tax (Amendment) Ordinance (No.II), 2016.

**माननीय अध्यक्ष ঃ** সদনৰ মজিয়াত মহিলা সদস্যই কথা কোৱা সম্পৰ্কত এটা কথা কৈছে যে তেওঁলোকে কথা কোৱাত কিছু অসুবিধা পায়, মই এই সমস্যাটো সমাধানৰ বাবে চেষ্টা কৰিম। মহিলাসকলৰ এই সমস্যাটো সমাধানৰ প্ৰচেষ্টা চলাম।

## OBITUARY REFERENCES

এতিয়া কাৰ্য্যসূচী নং — ১৪, মৃত্যু প্ৰসঙ্গ (অসমীয়াত পঢ়ি দিয়ে)

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মৃত্যু প্ৰসঙ্গত প্ৰাক্তন মন্ত্ৰী নিৰাময় দাসৰ নামটো অন্তৰ্ভুক্ত কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ত্ৰয়োদশ অসম বিধান সভাৰ সপ্তদশ অধিবেশন সমাপ্তিৰ পৰা আজি ০১/০৬/২০১৬ তাৰিখে চতুৰ্দশ অসম বিধান সভাৰ প্ৰথম অধিবেশন অনুষ্ঠিত হোৱালৈকে এই কালছোৱাৰ ভিতৰত ৰাজ্য তথা দেশৰ বিভিন্ন ক্ষেত্ৰলৈ বিশেষ বৰঙণি আগবঢ়োৱা ভালে কেইগৰাকী বৰেণ্য ব্যক্তিৰ পৰলোকপ্ৰাপ্তি ঘটে। অতি দুখ আৰু ব্যথিত হৃদয়েৰে আজি অসম বিধান সভাৰ পবিত্ৰ মজিয়াত নাম উল্লেখিত ব্যক্তিসকলৰ বিয়োগত শোক প্ৰকাশ কৰিবলৈ লোৱা হৈছে।

(১) **যোছেফ টপ্প ঃ**— প্ৰাক্তন মন্ত্ৰী, প্ৰাক্তন সাংসদ তথা জ্যেষ্ঠ ৰাজনৈতিক নেতা যোছেফ টপ্পৰ যোৱা ইংৰাজী ২২ মাৰ্চ, ২০১৬ তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৬২ বছৰ। ১৯৫৪ চনত জন্মগ্ৰহণ কৰা টপ্প ডাঙৰীয়াই এগৰাকী নিষ্ঠাবান সমাজকৰ্মী ৰূপে ১৯৯৬ চনত অসম গণ পৰিষদ দলৰ প্ৰাৰ্থীৰূপে ঢেকীয়াজুলি বিধানসভা সমষ্টিৰ পৰা প্ৰথমবাৰৰ বাবে বিধায়ক নিৰ্বাচিত হৈ অসম চৰকাৰৰ মন্ত্ৰীসভাত শ্ৰম আৰু নিয়োগ দপ্তৰৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী ৰূপেও গুৰু দায়িত্ব পালন কৰিছিল। তেখেতে ২০০১ চন আৰু ২০০৬ চনতো একে সমষ্টিৰ পৰা বিধায়ক নিৰ্বাচিত হৈ নিষ্ঠা আৰু ঐকান্তিকতাৰে ৰাজ্যলৈ সেৱা আগবঢ়াইছিল। তদুপৰি টপ্প ডাঙৰীয়াই ২০০৯ চনত লোকসভাৰ সাংসদ হিচাপে নিৰ্বাচিত হৈ ৰাজ্যলৈ উল্লেখনীয় সেৱাৰ বৰঙণি আগবঢ়াইছিল। এইগৰাকী অসমৰ প্ৰাক্তন মন্ত্ৰী তথা প্ৰাক্তন সাংসদৰ

বিয়োগত ৰাজ্যখনৰ জাতীয় জীৱনত এক অপূৰণীয় ক্ষতি হ'ল।

**(২) আনন্দীবালা ৰাভা ঃ—** দুধনৈ বিধানসভা সমষ্টিৰ প্ৰাক্তন বিধায়িকা আনন্দীবালা ৰাভাৰ যোৱা ইংৰাজী ৩০ মাৰ্চ, ২০১৬ তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৭৮ বছৰ। ১৯৩৮ চনত জন্মগ্ৰহণ কৰা ৰাভা ডাঙৰীয়াণীয়ে ১৯৭২ চনত দুধনৈ বিধানসভা সমষ্টিৰ পৰা কংগ্ৰেছ দলৰ প্ৰাৰ্থী হিচাপে বিধায়িকা ৰূপে নিৰ্বাচিত হৈ ৰাজ্যলৈ নিষ্ঠা আৰু সততাৰে সেৱাৰ বৰঙণি আগবঢ়াইছিল। তদুপৰি তেখেতে ৰাজনীতিৰ সমান্তৰালকৈ বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত সক্ৰিয়তাৰে জড়িত হৈ বহু গুৰু দায়িত্ব পালন কৰিছিল। এইগৰাকী প্ৰাক্তন বিধায়িকাৰ বিয়োগত ৰাজ্যখনৰ সমাজ জীৱনত এক অপূৰণীয় ক্ষতি হ'ল।

**(৩) পি এ চাংমা ঃ—** মেঘালয়ৰ প্ৰাক্তন মুখ্যমন্ত্ৰী, লোকসভাৰ প্ৰাক্তন অধ্যক্ষ তথা প্ৰবীণ ৰাজনীতিবিদ পূৰ্ণ অঘিটোক চাংমাৰ যোৱা ইংৰাজী ৪ মাৰ্চ, ২০১৬ তাৰিখে দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৬৯ বছৰ।

১৯৪৭ চনত মেঘালয়ৰ পশ্চিম গাৰোপাহাৰ জিলাৰ চাপাহাটী গাঁৱত জন্মগ্ৰহণ কৰা চাংমা ডাঙৰীয়াই ১৯৭৭ চনত মেঘালয়ৰ তুৰা সমষ্টিৰ পৰা প্ৰথমবাৰৰ বাবে লোকসভালৈ নিৰ্বাচিত হৈ পৰৱৰ্তী সময়ত মুঠ ৮ বাৰকৈ লোকসভালৈ নিৰ্বাচিত হৈছিল। তেখেতে ১৯৯৬ চনৰ পৰা ১৯৯৮ চনলৈ লোকসভাৰ অধ্যক্ষৰ পদো অলংকৃত কৰিছিল। তদুপৰি তেখেতে কেন্দ্ৰীয় মন্ত্ৰীৰূপেও কাৰ্য্যনিৰ্বাহ কৰিছিল। চাংমা ডাঙৰীয়া আছিল পূৰ্বোত্তৰৰ প্ৰথম গৰাকী লোকসভাৰ অধ্যক্ষ। এইগৰাকী প্ৰবীণ ৰাজনীতিবিদৰ মৃত্যুত দেশৰ ৰাজনৈতিক জগতত এক পূৰাব নোৱাৰা ক্ষতি হ'ল।

**(৪) ড° বলৰাম জাখৰ ঃ—** লোকসভাৰ প্ৰাক্তন অধ্যক্ষ, প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী তথা বিশিষ্ট ৰাজনৈতিক নেতা ড° বলৰাম জাখৰৰ যোৱা ইংৰাজী ৩ ফেব্ৰুৱাৰী, ২০১৬ তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৯৩ বছৰ। ১৯২৩ চনত জন্মগ্ৰহণ কৰা ড° জাখৰ ডাঙৰীয়াই ১৯৮০ চনৰ পৰা ১৯৮৯ চনলৈ লোকসভাৰ অধ্যক্ষ ৰূপে কাৰ্য্যনিৰ্বাহ কৰিছিল। তদুপৰি তেখেতে চাৰিবাৰকৈ লোকসভালৈ নিৰ্বাচিত হৈছিল। ড° জাখৰ ডাঙৰীয়াই নিজৰ কাৰ্য্যকালত কেবিনেট কৃষিমন্ত্ৰী হিচাপেও গুৰু দায়িত্ব পালন কৰিছিল। তেখেত এগৰাকী নিষ্ঠাবান সমাজকৰ্মী ৰূপে সমাজৰ বিভিন্ন ক্ষেত্ৰলৈ উল্লেখনীয় সেৱাৰ বৰঙণি আগবঢ়াই থৈ গৈছে। এইগৰাকী নিষ্ঠাবান ৰাজনৈতিক নেতাৰ মৃত্যুত দেশৰ ৰাজনৈতিক ক্ষেত্ৰখনত তথা সমাজ জীৱনত এক পূৰাব নোৱাৰা ক্ষতি হ'ল।

**(৫) হীৰেন্দ্ৰ নাথ দত্ত ঃ—** বিশিষ্ট কবি, সাহিত্যিক কাব্যকাণ্ডাৰী তথা সমালোচক হীৰেন্দ্ৰ নাথ দত্তৰ যোৱা ইংৰাজী ২০ ফেব্ৰুৱাৰী, ২০১৬ তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৭৯ বছৰ। ১৯৩৭ চনত জন্মগ্ৰহণ কৰা দত্ত ডাঙৰীয়াই অসমীয়া সাহিত্য আৰু ইংৰাজী সাহিত্যত নিজস্ব বৌদ্ধিক বিচৰণৰ যোগেদি সাধনাৰ ক্ষেত্ৰখন প্ৰসাৰিত কৰিছিল। তেখেত এগৰাকী অতিশয় সংবেদনশীল কবি ৰূপে কবিতাৰ সমান্তৰালকৈ ইংৰাজী সাহিত্যৰ সাধনাতো ব্ৰতী আছিল। গদ্য আৰু কবিতা উভয়তে অসমীয়া ভাষাটোৰ প্ৰকাশিত শক্তিক পূৰ্ণ ৰূপ দিয়া দত্ত ডাঙৰীয়াৰ প্ৰথমখন কবিতাৰ সংকলন প্ৰকাশ পাইছিল ১৯৮১ চনত। ২০০৪ চনত তেখেতে সাহিত্য অকাডেমী বঁটা লাভ কৰিছিল। তদুপৰি অসমীয়া সাহিত্যলৈ আগবঢ়োৱা অৱদানৰ বাবে ২০১৪ চনত দত্ত ডাঙৰীয়াক অসম উপত্যকা সাহিত্য বঁটাৰে সন্মানিত কৰা হৈছিল। এইগৰাকী বিশিষ্ট কবি, সাহিত্যিক তথা কাব্যকাণ্ডাৰীৰ মৃত্যুত ৰাজ্যখনৰ সাহিত্য জগত তথা সমাজ জীৱনত এক শূণ্যতাৰ সৃষ্টি হ'ল।

**(৬) অৰুণ কুমাৰ ৰায় ঃ—** কোচ-ৰাজবংশী সাহিত্য-সংস্কৃতিৰ পিতামহ স্বৰূপ, কোচ-ৰাজবংশী সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সভাপতি তথা বিশিষ্ঠ সমাজ সংগঠক অৰুণ কুমাৰ ৰায়ৰ যোৱা ইংৰাজী ২৮ মে', ২০১৬ তাৰিখে দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৯১ বছৰ। ১৯২৫ চনত জন্মগ্ৰহণ কৰা ৰায় ডাঙৰীয়াই ১৯৯৬ চনত কোচ ৰাজবংশী সাহিত্য সভা প্ৰতিষ্ঠা কৰি সুদীৰ্ঘ প্ৰায় ১৮ বছৰ সভাপতিৰ গুৰু দায়িত্ব বহন কৰি নিষ্ঠা আৰু সততাৰে সেৱা আগবঢ়াই গৈছিল। তেখেতে কোচ ৰাজবংশী ভাষাৰ শব্দকোষ নামেৰে অভিধান ৰচনা কৰাৰ লগতে কেইবাখনো উল্লেখযোগ্য গ্ৰন্থ আৰু নাটকো ৰচনা কৰি জনগোষ্ঠীটোৰ সৰ্বাঙ্গীন উন্নতিৰ বাবে অনবদ্য অৱদান আগবঢ়াই থৈ গৈছে। ৰায় ডাঙৰীয়াই আগবঢ়োৱা সেৱাৰ বাবে বিভিন্ন উচ্চস্তৰীয় বঁটা ও সন্মানেৰে সন্মানিত হোৱাৰ লগতে অম্বিকাচৰণ চৌধুৰী স্মাৰক বঁটাৰেও বিভূষিত হৈছিল। এইগৰাকী কোচ ৰাজবংশী সাহিত্য-সংস্কৃতিৰ পিতামহস্বৰূপ তথা বিশিষ্ঠ সমাজ সংগঠকৰ বিয়োগত ৰাজ্যখনৰ জাতীয় জীৱনত এক পূৰাব নোৱাৰা ক্ষতি হ'ল।

**(৭) নৱ শৰ্মা ঃ—** বিশিষ্ট সাংবাদিক তথা অভিনেতা নৱ শৰ্মাৰ যোৱা ইংৰাজী ৩ মে', ২০১৬ তাৰিখে দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৭৬ বছৰ। ১৯৪০ চনত জন্মগ্ৰহণ কৰা শৰ্মা ডাঙৰীয়াই ট্ৰিবিউন গ্ৰুপত সাংবাদিক হিচাপে কৰ্মজীৱনৰ পাতনি মেলি পৰৱৰ্তী সময়ত 'দৈনিক জনমভূমি', আকাশবাণীৰ উপৰিও 'ইক'নমিক টাইমছ'ত গুৰুত্বপূৰ্ণ পদৱীত কাৰ্য্যনিৰ্বাহ কৰাৰ লগতে বিভিন্ন সংবাদ মাধ্যমৰ সৈতে জড়িত হৈ নিষ্ঠা আৰু সততাৰে সংবাদ সেৱা আগবঢ়াইছিল। তদুপৰি শৰ্মা ডাঙৰীয়াই

কেবাখনো অনাতাৰ নাটকতো অভিনয় কৰিছিল। এইগৰাকী বিশিষ্ট সাংবাদিক তথা অভিনেতাৰ বিয়োগত ৰাজ্যখনৰ সংবাদ জগত তথা সমাজ জীৱনত এক অপূৰণীয় ক্ষতি হ'ল।

**(৮) গোবিন্দ বণিয়া ঃ—** বিশিষ্ট মুক্তিযোদ্ধা গোবিন্দ বণিয়াৰ যোৱা ইংৰাজী ১ ফেব্ৰুৱাৰী, ২০১৬ তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৯২ বছৰ। প্ৰয়াত বণিয়া ডাঙৰীয়া ভাৰতৰ স্বাধীনতা আন্দোলনৰ এগৰাকী অক্লান্ত সেনানী আছিল। ১৯৯৭ চনত তেখেতক ৰাজ্যিক মুক্তিযোদ্ধা পেন্সন আৰু তাম্ৰফলিৰে সন্মানিত কৰা হৈছিল। তদুপৰি বণিয়া ডাঙৰীয়াই দৰং জিলা মুক্তিযুজাৰু সন্মিলনৰ সভাপতি, অসম ৰাজ্যিক মুক্তিযুজাৰু সন্মিলনৰ কাৰ্য্যনিৰ্বাহক সদস্য হিচাপে কাৰ্য্যনিৰ্বাহ কৰাৰ লগতে বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত ওতঃপ্ৰোত ভাৱে জড়িত আছিল। এইগৰাকী বিশিষ্ট মুক্তিযোদ্ধাৰ মৃত্যুত ৰাজ্যখনৰ সমাজ জীৱনত এক অপূৰণীয় ক্ষতি হ'ল।

**(৯) থোলোক দত্ত ঃ—** বিশিষ্ট মুক্তিযোদ্ধা থোলোক দত্ত যোৱা ইংৰাজী ১২ মাৰ্চ, ২০১৬ তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৯৫ বছৰ। প্ৰয়াত দত্ত ডাঙৰীয়াই ভাৰতৰ স্বাধীনতা আন্দোলনত সক্ৰিয় ভাৱে যোগদান কৰি নিষ্ঠাৰে দেশ মাতৃলৈ সেৱা আগবঢ়াইছিল। ১৯৮৯ চনত দত্ত ডাঙৰীয়াক ৰাজ্য চৰকাৰে মুক্তিযুজাৰু পেন্সনেৰে সন্মানিত কৰিছিল। তেখেতে আজীৱন বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত থাকি নিষ্ঠা আৰু ঐকান্তিকতাৰে সেৱা আগবঢ়াইছিল। এইগৰাকী বিশিষ্ট মুক্তিযোদ্ধাৰ মৃত্যুত ৰাজ্যখনৰ জাতীয় জীৱনত এক অপূৰণীয় ক্ষতি হ'ল।

**(১০) কেশৱানন্দ দেৱ গোস্বামী ঃ—** বৈষ্ণৱ পণ্ডিত, বিশিষ্ট গৱেষক, শ্ৰীমন্ত শঙ্কৰদেৱ বঁটা বিজয়ী ড° কেশৱানন্দ দেৱগোস্বামীৰ যোৱা ইংৰাজী ৪০ ফেব্ৰুৱাৰী, ২০১৬ তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৮৬ বছৰ। ১৯৩০ চনত জন্মগ্ৰহণ কৰা দেৱগোস্বামী ডাঙৰীয়াই নগাঁৱৰ আনন্দ ৰাম ঢেকীয়াল ফুকন মহাবিদ্যালয়ত অসমীয়া বিভাগত অধ্যাপক হিচাপে কৰ্মজীৱনৰ পাতনি মেলি পৰৱৰ্তী সময়ত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক হিচাপে সেৱা আগবঢ়াই অৱসৰ গ্ৰহণ কৰে। তেখেতে সাংস্কৃতিক-সামাজিক অনুষ্ঠান শ্ৰীমন্ত শঙ্কৰদেৱ ফাউণ্ডেচন প্ৰতিষ্ঠা কৰাৰ উপৰি পাতিয়ালা বিশ্ববিদ্যালয়ত শঙ্কৰদেৱৰ আসনৰ অধ্যাপকৰ পদ অলংকৃত কৰিছিল। দেৱগোস্বামী ডাঙৰীয়াই অসমৰ সাহিত্য, কলা-সংস্কৃতি আৰু শৈক্ষিক জগতত অনবদ্য বৰঙণি আগবঢ়োৱাৰ হেতু সাহিত্য অকাডেমীৰ সত্ৰীয় সংগীতাচাৰ্য বঁটাৰে বিভূষিত হৈছিল। তদুপৰি অসমীয়া শৈক্ষিক জগতত আগবঢ়োৱা অনবদ্য বৰঙণিৰ বাবে তেখেতে

আনন্দৰাম বৰুৱা বঁটাকে ধৰি বহু উচ্চস্তৰীয় সন্মান ও বঁটাৰে সন্মানিত হৈছিল। এইগৰাকী প্ৰসিদ্ধ প্ৰাচ্যতত্ববিদ, শঙ্কৰী কলা-সংস্কৃতিৰ গৱেষক, পণ্ডিত শিক্ষাবিদ তথা সাহিত্যিকৰ মৃত্যুত ৰাজ্যৰ লগতে দেশৰ শিক্ষা ও সাংস্কৃতিক জগতত এক অপূৰণীয় ক্ষতি হ'ল।

**(১১) জনছ মহলীয়া ঃ**— অসমীয়া চলচ্চিত্ৰ জগতৰ এগৰাকী বিশিষ্ট পৰিচালক জনছ মহলীয়াৰ যোৱা ইংৰাজী ৫ ফেব্ৰুৱাৰী, ২০১৬ তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৭০ বছৰ। ১৯৪৬ চনত জন্মগ্ৰহণ কৰা মহলীয়া ডাঙৰীয়াই অসমীয়া চলচ্চিত্ৰ জগতত অগ্ৰণী পৰিচালক হিচাপে প্ৰভূত বৰঙণি আগবঢ়াই থৈ গৈছে। তেখেতে 'বহাগৰ দুপৰীয়া', 'মহাসমৰ', 'দুৰণিৰ ৰং' আদিকে ধৰি বহু কেখিন জনপ্ৰিয় ছবি পৰিচালনা কৰাৰ উপৰিও 'প্ৰতিঘাত', 'অনেক ফুলৰ সুৰভি' কে আদ কৰি গুৱাহাটী দুৰদৰ্শন কেন্দ্ৰৰ কেইবাখনো ধাৰাবাহিক নিৰ্মাণ কৰি অসমীয়া সংস্কৃতিৰ ভৰাল চহকী কৰি থৈ গৈছে। এইগৰাকী বিশিষ্ট ছবি পৰিচালকৰ বিয়োগত ৰাজ্যখনৰ সাংস্কৃতিক জগতত এক পুৰাব নোৱাৰা ক্ষতি হ'ল।

**(১২) বলেন হাজৰিকা ঃ**— বিশিষ্ট সাংস্কৃতিক সংগঠক, গীতিকাৰ তথা শিক্ষাবিদ বলেন হাজৰিকাৰ যোৱা ইংৰাজী ৬ ফেব্ৰুৱাৰী, ২০১৬ তাৰিখে দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৭৮ বছৰ। ১৯৩৮ চনত জন্মগ্ৰহণ কৰা হাজৰিকা ডাঙৰীয়াই কটন মহাবিদ্যালয়ত ডেমনষ্ট্ৰেটৰ হিচাপে কৰ্মজীৱনৰ পাতনি মেলি পৰৱৰ্তী সময়ত শ্বিলঙৰ ঐতিহ্যমণ্ডিত ছেইণ্ট এন্থনী মহাবিদ্যালয়ত উদ্ভিদ বিজ্ঞান বিভাগৰ অধ্যাপক হিচাপে সেৱা আগবঢ়াই অৱসৰ গ্ৰহণ কৰে। তেখেত ৬০ ৰ দশকৰ ৰাজ্যৰ প্ৰখ্যাত সাংস্কৃতিক সংগঠন 'মধুচয়নিকা'ৰ জৰিয়তে অসমৰ সাংস্কৃতিক জগতৰ উল্লেখনীয় সেৱা আগবঢ়াই থৈ গৈছে। তদুপৰি হাজৰিকা ডাঙৰীয়াই বহু জনপ্ৰিয় গীত ৰচনাৰে অসমীয়া সংস্কৃতিৰ ভৰাল চহকী কৰি থৈ গৈছে। এইগৰাকী বিশিষ্ট সাংস্কৃতিক সংগঠকৰ বিয়োগত ৰাজ্যখনৰ সাংস্কৃতিক জগত তথা জাতীয় জীৱনত এক অপূৰণীয় ক্ষতি হ'ল।

**(১৩) যোগপ্ৰভা তালুকদাৰ ঃ**— অসমীয়া ছবি জগতৰ প্ৰবীণ অভিনেত্ৰী তথা বিশিষ্ট সমাজকৰ্মী যোগপ্ৰভা তালুকদাৰৰ যোৱা ইংৰাজী ১৫ মে', ২০১৬ তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৮৫ বছৰ। প্ৰয়াত তালুকদাৰ ডাঙৰীয়াণী অসমীয়া ছবি জগতৰ এগৰাকী সু-প্ৰতিষ্ঠিত অভিনেত্ৰী আছিল। তেখেতে 'প্ৰিয়ামিলন' কথাছবিত কৰা বলিষ্ঠ অভিনয়ৰ বাবে দৰ্শক জনতাৰ বিপুল সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছিল। তদুপৰি তালুকদাৰ ডাঙৰীয়াণীয়ে সদৌ অসম নাৰী শিল্পানুষ্ঠানৰ সম্পাদিকা হিচাপে কাৰ্য্যনিৰ্বাহ কৰাৰ লগতে বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত থাকি উল্লেখনীয় সেৱাৰ বৰঙণি আগবঢ়াই থৈ গৈছে। এইগৰাকী প্ৰবীণ অভিনেত্ৰী

তথা বিশিষ্ট সমাজকৰ্মীৰ মৃত্যুত ৰাজ্যখনৰ সাংস্কৃতিক জগত তথা সমাজ জীৱনত এক অপূৰণীয় ক্ষতি হ'ল।

**(১৪) দীনেশ শৰ্মা ঃ—** বিশিষ্ট অভিনেতা ও সংগীত শিল্পী দীনেশ শৰ্মাৰ যোৱা ইংৰাজী ১৬ মে', ২০১৬ তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৭৪ বছৰ। ১৯৪২ চনত জন্মগ্ৰহণ কৰা শৰ্মা ডাঙৰীয়াই আকাশবাণী গুৱাহাটী কেন্দ্ৰত সংগীত শিল্পী হিচাপে বিশেষ সেৱাৰ বৰঙণি আগবঢ়াই থৈ গৈছে। তেখেতে অভিনয় ক্ষেত্ৰখনতো ওতঃপ্ৰোত ভাৱে জড়িত থাকি সন্ধান, দেউতা, দাপোন আদিকে ধৰি বহু কেইখন জনপ্ৰিয় ছবিত বলিষ্ঠ অভিনয়ৰে নিজস্ব প্ৰতিভা শৈলীৰে চাপ এৰি থৈ গৈছে। তদুপৰি সাহিত্যৰ ক্ষেত্ৰখনতো শৰ্মা ডাঙৰীয়াই বিভিন্ন নিবন্ধ, কবিতা আদি ৰচনা কৰি অসমীয়া সাহিত্যৰ ভৰাল চহকী কৰি থৈ গৈছে। এইগৰাকী বিশিষ্ট অভিনেতা, সংগীত শিল্পী তথা সু-লেখকৰ বিয়োগত ৰাজ্যখনৰ জাতীয় জীৱনত এক অপূৰণীয় ক্ষতি হ'ল।

এতিয়া ইয়াত উল্লেখিত প্ৰয়াত ব্যক্তিসকলৰ পবিত্ৰ স্মৃতিত আৰু তেখেতসকলৰ বিদেহী আত্মাৰ সদ্‌গতি আৰু চিৰশান্তি কামনা কৰি এক মিনিট সময় থিয় হৈ মৌনতা অৱলম্বন কৰিবৰ বাবে এই সদনৰ মাননীয় সদস্য-সদস্যাসকলৰ প্ৰতি মই অনুৰোধ জনালো। **(সকলো সদস্য-সদস্যাই থিয় হৈ ১ মিনিট সময় মৌন প্ৰাৰ্থনা কৰে)**

**মাননীয় অধ্যক্ষ ঃ** এই মৃত্যু প্ৰসঙ্গত মন্ত্ৰী, নিৰাময় দাসৰ নামটো সন্নিৱিষ্ট কৰা হওক। শেষত আজিৰ সদনত উপস্থিত থকা মুখ্যমন্ত্ৰীকে ধৰি সকলো সদস্যকে মোৰ শ্ৰদ্ধা জনাই সদন স্থগিত ৰখা হ'ল। সদন ০২/০৬/২০১৬ তাৰিখৰ পুৱা ৯ বজালৈ স্থগিত ৰখা হ'ল।

(সদনৰ কাম বিয়লি ১.০০ বজাত সমাপ্ত হয়)।

## ADJOURNMENT

The House then stood adjourned at 12.55 P.M. till 9.00 A.M on Thursday, the 2nd June, 2016.

Dispur the 1st June, 2016

(M.K. Deka)
Principal Secretary
Assam Legislative Assembly